# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**শুক্ৰবাৰ, ১০ মাৰ্চ, ২০১৭**

**গড়কাপ্তানী (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ সমূহ), মীন, আবকাৰী, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, (খাদী আৰু গ্ৰাম্য উদ্যোগ বাদ দি)।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **মীন বিভাগৰ আঁচনি ।**

শ্ৰীমতী সুমন হৰিপ্ৰিয়া ঃ

*৩৪১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Unemployed Youth ৰ বাবে চৰকাৰে মীন বিভাগত কেনেদৰে কি কি পৰিকল্পনাৰে আঁচনি হাতত লৈছে ?

(খ) যদি লৈছে, হাজোৰ ক্ষেত্ৰত এই আঁচনি কেতিয়ালৈ ৰূপায়ণ কৰিব ?

(গ) হাজোৰ পিতনী সমূহৰ বাবে মীন বিভাগৰ কিবা আঁচনি আছে নেকি ?

(ঘ) SHG ক আত্মনিৰ্ভৰশীল বনাবলৈ মীন বিভাগৰ পৰিকল্পনা কি ?

*Sub* : **ARTFED.**

Shri ABDUL KHALEQUE :

*342. Will the Minister of Handloom and Textile be pleased to state :

(a) Is it true that, the Government is holding more than ninety percent paid up share capital of ARTFED ?

(b) Is it true that, an employee of ARTFED is appointed as Managing Director of ARTFED in the year 2016 violating the procedure and related provision of by-law of ARTFED ?

(c) Is it true that, a Class-I Gazetted Officer from the Department of Handloom & Textile is now working as Secretary of ARTFED under the said Managing Director, ARTFED ?

(d) Whether the Government has empowered him financial power to transact business/to implement Government scheme/programme etc. as Managing Director ?

(e) If not, what will be his accountability to the Government ?

*বিষয় ঃ* **মীন বিভাগৰ খাদ্য প্ৰস্তুতকৰণ কল (Mill)।**

শ্ৰীচাহাব উদ্দিন আহমেদ ঃ

*৩৪৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাত মাছৰ খাদ্যপ্ৰস্তুত কৰণ কল (Mill) কিমানটা আছে জনাবনে ?(তথ্য সহ সদনত জনাব)

(খ) গোৱালপাৰা জিলাত কোন কোন সমষ্টিত মাছৰ খাদ্য প্ৰস্তুতকৰণ কল স্থাপন কৰিছে জনাবনে ?

(গ) যদি কৰিছে, সেইবোৰ কাৰ্য্যক্ষম হৈ আছে নে ?

(ঘ) যদি হোৱা নাই, চৰকাৰে কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

*বিষয় ঃ* **PMGSY, SDRF, CRF সন্দৰ্ভত।**

শ্ৰীযোগেন মহন ঃ

*৩৪৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিৱসাগৰ জিলাত বৰ্তমানে কিমানখন PMGSY, SDRF আৰু CRF ৰ অধীনত ৰাস্তাৰ কাম হ'বলগীয়া আছে ? (শিৱসাগৰ জিলাৰ সমষ্টি ভিত্তিত তথ্য সহকাৰে জনাব)

(খ) বৰ্তমানে নিবিদা নীতি কি চলি আছে ?

(গ) নিবিদা নীতি সংশোধন কৰাৰ ক্ষেত্ৰত চৰকাৰে কিবা চিন্তা চৰ্চা কৰিছে নেকি ?

*বিষয় ঃ* **P.W.D সংমণ্ডল কাৰ্য্যালয় ।**

শ্ৰীসঞ্জয় কিষান ঃ

*৩৪৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ তিনিচুকীয়াৰ P.W.D সংমণ্ডল কাৰ্য্যালয়টো ২০০৫ চনতে লক্ষীমপুৰ জিলালৈ স্থানান্তৰ কৰা কথাটো চৰকাৰ অৱগত নে ?

(খ) P.W.D সংমণ্ডল কাৰ্য্যালয়টো তিনিচুকীয়াত নথকাত গোটেই জিলাখনৰ সৰ্বসাধাৰণ ৰাইজৰ বহুতো সমস্যা ও অসুবিধাৰ সৃষ্টি হোৱাটো চৰকাৰ অৱগতনে ?

(গ) যদি অৱগত, অনতি পলমে এই P.W.D সংমণ্ডল কাৰ্য্যালয়টো তিনিচুকীয়া জিলাত স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

*বিষয় ঃ* **জলসিঞ্চন প্ৰকল্প ।**

শ্ৰীভবেশ কলিতা ঃ

*৩৪৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা জলসিঞ্চন প্ৰকল্প নিৰ্মাণ কৰা হৈছে ?

(খ) ইয়াৰে কিমানটা কাৰ্যক্ষম আৰু কিমানটা বিকল অৱস্থাত আছে ?

(গ) ৰাজ্য চৰকাৰে বিকল প্ৰকল্প সমূহত বিত্ত যোগানেৰে কাৰ্যক্ষম কৰি কৃষক সকল উপকৃত হোৱাকৈ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিবনে ?

(ঘ) যদি কৰে, কিমান সময়ৰ প্ৰয়োজন হ'ব ?

*বিষয় ঃ* **এড্‌মিনিষ্ট্ৰেটিভ এপ্ৰোভেল ।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*৩৪৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰাক ভেলীৰ গড়কাপ্তানী বিভাগত মুখ্যমন্ত্ৰী (পূৰ্ব্বৰ) ৰ স্পেচিয়েল পেকেজৰ কি কি আঁচনিৰ বিপৰীতে কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(খ) এই পেকেজৰ অধীনত কি কি আঁচনিৰ এড্‌মিনিষ্ট্ৰেটিভ এপ্ৰোভেল হৈছে ? (বিতং তালিকা সদনত দাখিল কৰিব)

(গ) কোন কেইখন আঁচনিৰ কিমান শতাংশৰ কাম হৈছে ? (তালিকা দিব)

(ঘ) কোন কেইখন আঁচনিৰ বিপৰীতে কোন কোন ঠিকাদাৰে কিমান শতাংশ ধন পালে ? (ঠিকাদাৰৰ নাম সহ পোৱা টকাৰ পৰিমাণ উল্লেখ কৰি সদনত দাখিল কৰিব)

(ঙ) ঠিকাদাৰ সকলৰ বকেয়া ধন কিমান পাবলৈ আছে ? (ঠিকাদাৰৰ নামৰ বিপৰীতে পাব লগা টকা উল্লেখ কৰি সদনত দিব)

(চ) আঁচনি সমূহৰ কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ কাৰণে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে ?

(ছ) বৰ্তমানলৈ কিমান টকা মোকলাই দিয়া হৈছে ?

(জ) বাকী থকা টকা কেতিয়া মোকলাই দিব ?

*বিষয় ঃ* **কেটেল ফুড যোগান সংক্ৰান্ত ।**

শ্ৰীদুৰ্গা ভূমিজ ঃ

*৩৪৮। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগত নে, তিনিচুকীয়া জিলাৰ বিভিন্ন অঞ্চলত বিশেষকৈ চাহ বাগিচা অঞ্চলত অবৈধ ভাৱে চুলাই মদৰ যি ঘাটি গঢ়ি উঠিছে, সেই চুলাই মদ সেৱন কৰি বিভিন্ন অচিন ৰোগত যেনে যক্ষ্মা, কেন্সাৰ, লিভাৰ আদি নানা ৰোগত আক্ৰান্ত হৈ আহিছে ?

(খ) এইটো অৱগত নে, উক্ত চুলাই মদ বিশেষকৈ কেটেল ফুড নামেৰে এবিধ গুড়েৰে তৈয়াৰ কৰে ?

(গ) যদি অৱগত, তেন্তে কেটেল ফুড যোগান ধৰিবলৈ আবণ্টন পোৱা এজেণ্ট সমূহে কেটেলক নুখুৱাই, চুলাই মদ তৈয়াৰ কৰিবৰ বাবে যোগান ধৰি আহিছে । গতিকে কেটেল ফুড যোগান ধৰিবলৈ আবণ্টন পোৱা এজেণ্ট সমূহৰ আবণ্টন নাকচ কৰাৰ আইনী ব্যৱস্থা কৰিবনে ?

*Sub :* **Bridge over Borolia at Jharkona under Baksa Division.**

Shri EMMANUEL MOSAHARY :

*349. Will the Minister of P.W.D be pleased to state :

(a) Is the P.W.D Department aware that an iron bridge over river Borolia at Jharkona which connects Sub-Division H.Q. is no longer motorable ?

(b) Is the Govt. also aware that dilapidated road from Rangia to Nagrijuli is no longer motorable ? Is there any plan to construct new bridge and repair the said road ?

(c) Could these two projects be brought under MLA Signature Projects in financial year 2017-18, 2018-19 ? (please state)

*বিষয় ঃ* **State Highway নিৰ্মাণ ।**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

*৩৫০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ Major District Road আৰু State Highway সমূহ বৰ্ত্তমান বিধ্বস্ত হৈ থকাটো বিভাগে অৱগত নে ?

(খ) বিভাগে 'মেৰামতি' শিতানত কিছু ধন মেৰামতিৰ বাবে দিছে যদিও শোচনীয় ৰূপত থকা Major District Road আৰু State Highway সমূহ পুনৰ নিৰ্মাণৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

(গ) মঙলদৈ ৰাজ্যিক পথ সংমণ্ডলৰ অন্তৰ্গত 'দেওমৰনৈ বৰদৌলগুৰি' পথ নিৰ্মাণৰ বাবে কিছু ধন দিছে যদিও ইয়াৰ পৰিমাণ পৰ্যাপ্ত নোহোৱাত পথটি নিৰ্মাণৰ ক্ষেত্ৰত অনিশ্চয়তা আহি পৰিছে । ইয়াৰ বাবে প্ৰয়োজনীয় ধন মোকলাই দি পথটি নিৰ্মাণৰ বাবে ব্যৱস্থা হাতত ল'বনে ?

*বিষয় ঃ* **পৰিদৰ্শন ভৱন ।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

*৩৫১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাত কিমানটা পৰিদৰ্শন ভৱন আছে ? তাৰে কিমানটা সক্ৰিয় অৱস্থাত আছে ?

(খ) এইটো সঁচানে, ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত মৰাণ টাউনৰ কাষত থকা পৰিদৰ্শন ভৱনটোৰ বৰ্তমান ভাল অৱস্থাত নাই ?

(গ) এইটোও সঁচানে ভৱনৰ চাৰিসীমাটো দ হোৱাৰ বাবে বাৰিষা পানীৰে বুৰ গৈ থাকে ?

(ঘ) যদি সঁচা তেন্তে, পৰিদৰ্শন ভৱনটোৰ মেৰামতিৰ বাবে ব্যৱস্থা কৰিবনে ?

*Sub :* **Border Road.**

Shri RUPJYOTI KURMI :

*352. Will the Minister of P.W.D. Roads be pleased to state :

(a) Is the Govt. aware that the previous Govt. had allotted fund for the construction of Pucca Roads for the Assam-Nagaland border under Mariani LAC ?

(b) If so, will the Govt. allot for the incomplete portion of work under Mariani LAC ?

(c) If yes, by when will the Govt. allot fund, looking into the communication problem of the Border area people ?

*বিষয় ঃ* **Fund allocation for Golaghat and Khumtai LAC.**

শ্ৰীমৃনাল শইকীয়া ঃ

*৩৫৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১ ৰ পৰা ২০১৬ চনলৈ গোলাঘাট LAC আৰু খুমটাই LAC ৰ বাবে Tied, Untied আদি বিভিন্ন শিতানত ৰাস্তা বনাবৰ বাবে কিমান পুঁজি আবণ্টিত হৈছিল ? (পৃথককৈ জনাব)

(খ) পুঁজি আবণ্টনৰ ক্ষেত্ৰত বৈষম্য আছে নেকি ?

(গ) যদি আছে, কিমান টকাৰ আছে ?

*Sub :* **Responsibility of Contractors.**

Shri AMINUL ISLAM :

*354. Will the Minister of P.W.D be pleased to state :

(a) How many contractors have been black listed during the last 10 years ? (Please furnish the list of black listed contractors alongwith the reason thereof behind it)

(b) How many black listed contractors were allowed again to take part in the tending process during the last 10 years and why ? (Furnish the list of those contractors, allotted work orders after they had been black listed once)

(c) What is the Departmental procedures taken against a contractor who complete allotted work having no quality ? (Furnish the list of works done during the last two years in Nagaon & Morigaon District alongwith quality status)

*বিষয় ঃ* জলসিঞ্চন আঁচনি।

শ্ৰীসত্যব্ৰত কলিতা ঃ

*৩৫৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কমলপুৰ সমষ্টিৰ জলসিঞ্চনৰ ২৩ খন আঁচনিৰ ১৭ খনৰ কাম সম্পূৰ্ণ হোৱাৰ বিপৰীতে বিভিন্ন পৰ্য্যায়ত চলি থকা ৬ খন আঁচনিৰ কাম সম্পূৰ্ণ হ'লনে ?

(খ) যদি হৈছে, জলসিঞ্চনৰ প্ৰতিখন আঁচনি কাৰ্য্যক্ষম হৈ কৃষকক কৃষি কাৰ্য্যত সহায় হোৱাকৈ পানী যোগান ধৰি আছেনে ?

(গ) যদি আছে, কিমান হেক্টৰ কৃষি ভূমিত পানী যোগান ধৰি থকা হৈছে ?

(ঘ) জলসিঞ্চন আঁচনিৰ পৰা কিমান কৃষক উপকৃত হৈছে ? (আঁচনিৰ নাম উল্লেখ কৰি উপকৃত কৃষকৰ সংখ্যা সদনত দাখিল কৰিব)

(ঙ) কৃষি প্ৰধান সমষ্টিটোত ২৩ খন আঁচনিয়ে সকলো কৃষকক সামৰি ল'ব পাৰিছেনে ?

*বিষয় ঃ* **Cluster Development Programme.**

শ্ৰীদুৰ্গা ভূমিজ ঃ

*৩৫৬। মাননীয় বস্ত্ৰ ও ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ ডুমডুমা সমষ্টিত Cluster Development Programme আজি ২ বছৰ ধৰি বন্ধ হৈ থকাতো সঁচানে? লগতে Equipment Support Grant-in-Aid আঁচনি সমূহ বন্ধ হৈ আছে নেকি ?

(খ) যদি আছে, তেন্তে উক্ত আঁচনি সমূহ কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা হ'ব জনাবনে ?

*Sub :* **AIBP Schemes under Borolia Division .**

Shri EMMANUEL MOSAHARY :

*357. Will the Minister of Irrigation be pleased to state :

(a) Under AIBP schemes how many schemes have been completed and commissioned for the benefit of the farmers under Borolia Division from the year 2007 to 2011 ? (Please name the schemes)

(b) Is the Department aware that schemes that have been completed; collapsed within a year like-Darranga AIBP scheme, scheme in the river Kalanadi/Motanga etc ?

(c) Is the Govt. or the Department aware that flow irrigation schemes head work under AIBP in the river Puthimari (ORONGA) lies in the territory of Bhutan ?

(d) Is there any policy to complete halfdone or damaged schemes where substantial amount have been spent ?

(e) What is the fund allocated to Irrigation under AIBP Head for the year 2017-18 ?

(f) What's the total amount of liabilities for AIBP schemes in Assam till date ?

*Sub :* **Sericulture Farm Encroachment.**

Shri RUPJYOTI KURMI :

*358. Will the Minister of Handloom, Textile & Sericulture be pleased to state :

(a) Is the Govt. aware that presently the Govt. Sericulture Farm is under encroachment and is in threat ?

(b) If so, will the Govt. take steps to save guard the Sericulture Farm and make it encroachment free for greater interest of the people of Assam of the State ?

(c) If so, by when will Govt. take steps for encroachment free of the Sericulture Farm ? (Kindly furnish details data)

*বিষয় ঃ* **কাঠৰ দলং পকীকৰণ।**

শ্ৰীসত্যব্ৰত কলিতা ঃ

*৩৫৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কমলপুৰ সমষ্টিত মুঠ ৬ খন কাঠৰ দলং

আছে (তৰাবিহীন প্ৰশ্ন নং ২১১ (ক) দিনাংক ২২-৭-২০১৬) উত্তৰ সাপেক্ষে কোন কেইখন কাঠৰ দলঙৰ কথা কোৱা হৈছে ? (তালিকা দিব)

(খ) পকীকৰণৰ আঁচনি লোৱা নাই আৰু পুঁজি সাপেক্ষে পৰ্য্যায়ক্ৰমে পকীকৰণ কৰাৰ ব্যৱস্থা ল'ব পৰা যাব (একেটা প্ৰশ্নৰ (ঘ) আৰু (চ) ৰ উত্তৰৰ পৰিপেক্ষিতত) উক্ত ৬ খন দলং আগন্তুক ইং ২০১৭-১৮ বিত্তীয় বৰ্ষত পকীকৰণৰ আঁচনিত অন্তৰ্ভুক্ত হৈছেনে ?

(গ) যদি হোৱা নাই, অন্তৰ্ভুক্তিৰ ব্যৱস্থা কৰিবনে ?

(ঘ) যদি কৰে, কি কি আঁচনিত অন্তৰ্ভুক্ত কৰিব ?

(ঙ) অন্তৰ্ভুক্ত হ'লে, পকীকৰণৰ কাম কিমান দিনৰ ভিতৰত আৰম্ভ কৰি শেষ কৰিব ?

*Sub :* **Revenue from IMF "on" & "off" shop .**

Shri RUPJYOTI KURMI :

*360. Will the Minister of Excise be pleased to state :

(a) How much revenue will the Govt. of Assam receive from the IMFL "on" & "off" shop & country shop, yearly from the State ? (Furnish detailed data)

(b) Will the Govt. of Assam make new rules for the IMFL "on" & "off" shop & country shop for this financial year ? (Kindly furnish detailed data)

---

AGP (Mini) 60/17-L.A.Q.-700-6-03-17.